**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 05-03-2026
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

নদী পৰ্যটনৰ সৰলীকৰণ আৰু বহনক্ষম বিকাশ নিশ্চিত কৰাৰ লক্ষ্যৰে কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গুৱাহাটীৰ লাচিতঘাটত ব্ৰহ্মপুত্ৰ আলোকস্তম্ভৰ আধাৰশিলা স্থাপন কৰে। বগীবিল, পাণ্ডু, বিশ্বনাথ ঘাট আৰু শিলঘাটত মুঠ ৮৪ কোটি টকা ব্যয় সাপেক্ষে এই আলোকস্তম্ভসমূহ নিৰ্মাণ কৰা হ'ব। এই আলোকস্তম্ভসমূহে ব্ৰহ্মপুত্ৰৰ জলভাগেৰে সুৰক্ষিত আৰু নিৰৱচ্ছিন্ন জাহাজ চলাচল, ২ নম্বৰ ৰাষ্ট্ৰীয় জলপথত যাত্ৰী আৰু মালবাহী জাহাজৰ চলাচল বৃদ্ধি, প্ৰমোদতৰী, পৰ্যটন তথা থলুৱা উদ্যমিতাৰ প্ৰসাৰ আৰু কৰ্মসংস্থাপন সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত ব্ৰহ্মপুত্ৰক পূৰ্ণাংগ মালবাহী কৰিডৰ হিচাপে গঢ়ি তোলাৰ প্ৰয়াস কৰা হৈছে।

**বাইট (সৰ্বানন্দ সোণোৱাল)**

দেশৰ ইতিহাসত প্ৰথমবাৰৰ বাবে অভ্যন্তৰীণ জলপথত আলোকস্তম্ভ আন্তঃগাঁথনি স্থাপনৰ পথ প্ৰশস্ত হৈছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এয়া হৈছে ৰাজ্যখনৰ বাবে এটা গৌৰৱৰ মুহূৰ্ত আৰু উত্তৰ-পূৰ্বাঞ্চলৰ বহনক্ষম অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত বিশেষ অগ্ৰগতি।

০০০০

ৰাজ্যসভা নিৰ্বাচনৰ বাবে মনোনয়ন দাখিলৰ আজি অন্তিম দিনা অসমৰ খালী হ'বলগীয়া ৩ খন আসনৰ বাবে এন ডি এ মিত্ৰজোঁটৰ ৩ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। বিজেপিৰ তেৰছ গোৱালা, যোগেন মহন আৰু ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৱে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাৰ উপস্থিতিত মনোনয়ন দাখিল কৰে। তিনিওগৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ সম্ভাৱনা আছে। এতিয়ালৈকে বিৰোধী পক্ষৰ কোনো সদস্যই মনোনয়ন দাখিল কৰা নাই।

উল্লেখযোগ্য যে ১৬ মাৰ্চত অসমসহ অন্যান্য ৰাজ্যত খালী হ'বলগীয়া ৰাজ্যসভাৰ আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০

শিলচৰৰ বিভিন্ন পেট্ৰ'ল পাম্পত তেল সংগ্ৰহ কৰিবলৈ গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হোৱাৰ পৰিপ্ৰেক্ষিতত জিলা প্ৰশাসনে কাছাৰত পেট্ৰ'ল বা ডিজেলৰ নাটনি হোৱা নাই বুলি প্ৰকাশ কৰিছে। আজি জাৰি কৰা এটা চৰকাৰী বিজ্ঞপ্তিত জিলা প্ৰশাসনে পেট্ৰ'ল-ডিজেলকে ধৰি জিলাখনত পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ নাটনি হোৱা নাই আৰু এই ক্ষেত্ৰত গ্ৰাহকসকলক চিন্তিত নহ'বলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে, পশ্চিম এচিয়াত চলি

থকা বিভিষিকাময় পৰিস্থিতিৰ প্ৰভাব ভাৰততো পৰাৰ আশংকা কৰি একাংশ গ্ৰাহকে পেট্ৰ'ল ডিপোসমূহত তেল সংগ্ৰহ কৰিবলৈ ভিৰ কৰা দেখা গৈছে।

০০০০

জনস্বাস্থ্য কাৰিকৰি বিভাগৰ অধীনৰ পানী যোজান আঁচনিসমূহৰ পৰিচালনা আৰু মেৰামতিৰ সন্দৰ্ভত আজি মৰিগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত অনামিকা তেৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত অনুষ্ঠিত ৰাইজৰ পৰা নিয়মীয়া শুল্ক সংগ্ৰহৰ জৰিয়তে আঁচনিসমূহৰ পৰিচালনা আৰু দীৰ্ঘস্থয়ীত্ব সুনিশ্চিত কৰাৰ বিষয়ে আলোচনা কৰা হয়। বৈঠকত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ অভিযন্তা বাবুল বড়ো, উন্নয়ন খণ্ড বিষয়া আৰু জিলাখনৰ পঞ্চায়ত সচিব সকল উপস্থিত থাকে।

০০০০

আন্তৰ্জাতিক নাৰী দিৱসৰ সৈতে সংগতি ৰাখি অহা শনিবাৰে নিশা আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত **সংবাদ ক্ষেত্ৰত নাৰী, প্ৰত্যাহ্বান আৰু প্ৰত্যাশা** শীৰ্ষক এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত সাংবাদিক সুস্মিতা গোস্বামী, অৰুণিমা কলিতা আৰু ভিডিঅ' সাংবাদিক মল্লিকা কলিতাই মনৰ ভাব প্ৰকাশ কৰিব। অনুষ্ঠানটোৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০

বঙাইগাঁও জিলাৰ মাণিকপুৰ থানা এলেকাৰ সমীপৰ কলিতাপাৰাত আজি স্কুটী আৰোহী দুজন কিশোৰৰ অগ্নিদগ্ধ হৈ মৃত্যু হয়। আমাৰ বঙাইগাঁৱৰ সংবাদদাতাই জনোৱা মতে কাৰিকৰী বিজুতিৰ ফলত স্কুটীখন বিস্ফোৰিত হোৱাৰ লগতে স্কুটী আৰোহী দুয়োজন কিশোৰে অগ্নি দগ্ধ হৈ কৰুণ মৃত্যুক সাৱতি ল'বলগীয়া হয়। নিহত কিশোৰ দুজন অদলাগুৰিৰ বাসিন্দা নয়ন ৰায় আৰু ধনজ্যোতি ৰায় বুলি চিনাক্ত কৰা হৈছে। এই শোকাবহ ঘটনাই সমগ্ৰ মাণিকপুৰ অঞ্চলত শোকৰ ছা পেলাইছে।

০০০০

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ  ৱাংখেড়ে ষ্টেডিয়ামত দ্বিতীয়খন ছেমি ফাইনেলত  ভাৰত ইংলেণ্ডক জয়ৰ বাবে ২৫৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে প্ৰথম প্ৰথমে বেটি কৰি নিৰ্ধাৰিত অভাৰত ৭ টা উইকেট হেৰুৱাই ২৫৩ ৰান সংগ্ৰহ কৰে। বাতৰি যুগুটোৱা পৰলকৈ ইংলেণ্ডে চাৰি অভাৰত এটা উইকেট হেৰুৱাই ৩৮ ৰান সংগ্ৰহ কৰিছে।

আজিৰ বিজয়ী দলটোৱে দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া ফাইনেলত নিউজিলেণ্ডৰ সন্মুখীন হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ